**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। মিজোৰাম দেশৰ ভিতৰতে সম্পূৰ্ণৰূপে সাক্ষৰতাপ্ৰাপ্ত প্ৰথমখন ৰাজ্য হিচাপে পৰিগণিত।

২। অসম সাহিত্য সভাৰ সেতুবন্ধ যাত্ৰাৰ অধীনত অসমীয়া আৰু বাংলা ভাষা-সাহিত্যৰ সমন্বয় সাধনৰ প্ৰয়াস।

৩। অপাৰেচন সিন্দূৰৰ সফলতা আৰু দেশৰ বীৰ সৈনিকসকলৰ বীৰগাথা প্ৰচাৰৰ আকাশবাণীৰ শৃংখলাত আজি অৱসৰপ্ৰাপ্ত কেপ্তেইন খগেন্দ্ৰ সিঙৰ অভিমত।

৪। ৰাজ্যৰ অধিকাংশ ঠাইত অহা ৭ দিনলৈ ধুমুহা-গাজনিৰে বৰষুণ হ'ব পাৰে বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ প্ৰকাশ। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছৰ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে ৬ উইকেটত জয়লাভ।

oooooo

মিজোৰাম দেশৰ ভিতৰতে সম্পূৰ্ণৰূপে সাক্ষৰতাপ্ৰাপ্ত প্ৰথমখন ৰাজ্য হিচাপে পৰিগণিত হৈছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী লালডুৱমা কালি কেন্দ্ৰীয় শিক্ষা দপ্তৰৰ ৰাজ্যমন্ত্ৰী জয়ন্ত চৌধুৰীৰ উপস্থিতিত মিজোৰামক পূৰ্ণ সাক্ষৰতাপ্ৰাপ্ত ৰাজ্য হিচাপে ঘোষণা কৰে। আইজলৰ মিজোৰাম বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে সৰ্বাত্মক শিক্ষা আৰু প্ৰতিগৰাকী নাগৰিকৰ সৱলীকৰণৰ বাবে গ্ৰহণ কৰা শক্তিশালী পদক্ষেপৰ ফলত ৰাজ্যখনে এই সফলতা লাভ কৰিছে। উল্লেখযোগ্য যে ২০১১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি নতুন ভাৰত সাক্ষৰতা কাৰ্যসূচীৰ জৰীপৰ অধীনত ৰাজ্যখনত ৩ হাজাৰ ২৬ গৰাকী নিৰক্ষৰ লোক চিনাক্ত কৰা হৈছিল আৰু ইয়াৰ ভিতৰত এহেজাৰ ৬৯২ গৰাকী সম্ভাৱনাপূৰ্ণ শিকাৰু আছিল। সামুহিক প্ৰচেষ্টা, ২৯২ গৰাকী স্বেচ্ছাসেৱক শিক্ষক, সমল ব্যক্তি, ক্লাষ্টাৰ ৰিচ'ৰ্ছ চেণ্টাৰ ক'অৰডিনেটৰ আৰু অন্যান্যসকলৰ প্ৰচেষ্টাত ৰাজ্যখনৰ জনসাধাৰণক সম্পূৰ্ণৰূপে সাক্ষৰ কৰি তোলাটো সম্ভৱ হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ২০১১ চনৰ পিয়ল অনুসৰি ৰাজ্যখনত ৯১ দশমিক ৩ - ৩ শতাংশ লোকৰ সাক্ষৰতাৰে ৰাজ্যখন দেশৰ ভিতৰত তৃতীয় সাক্ষৰ ৰাজ্য আছিল।

oooooo

ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে প্ৰতিবেশী ৰাজ্যৰ সৈতেও ভাষা-সাহিত্যৰ মাজত মিলন সেতু গঢ়াৰ লক্ষ্যৰে অসম সাহিত্য সভাই সেতুবন্ধ যাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ নেতৃত্বত শেহতীয়াকৈ বৰাক উপত্যকাৰ তিনিওখন জিলাতে সেতুবন্ধ যাত্ৰাৰ অধীনত অসমীয়া আৰু বাংলা ভাষা-সাহিত্যৰ সমন্বয় সাধনৰ বাবে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। সোমবাৰে উপত্যকাটোত সেতুবন্ধ যাত্ৰাৰ অন্তিম দিনা অসম সাহিত্য সভাই বৰ্ণাঢ্য কাৰ্যসূচীৰে বাংলা ভাষা ছহিদ দিৱসৰ আয়োজন কৰে। ইয়াৰ আগেয়ে যোৱা ১৮

এপ্ৰিলৰ পৰা ২০ এপ্ৰিল পৰ্যন্ত কেইবাখনো জিলাত এই কাৰ্যসূচী অনুষ্ঠিত হৈছিল। ইয়াৰ অংশ হিচাপে জিলা আৰু শাখা সভাসমূহৰ ন-পুৰণি কৰ্মকৰ্তা আৰু আজীৱন সদস্যসকলৰ উপৰি বৌদ্ধিক সমাজৰ প্ৰতিনিধিসকলৰ সৈতে আলাপ-আলোচনা অনুষ্ঠিত হৈছিল। তদুপৰি সভাই চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশতো এই কাৰ্যসূচী আয়োজনৰ দ্বাৰা সমন্বয় সাধনৰ প্ৰয়াস কৰিছিল। এই কাৰ্যসূচী সন্দৰ্ভত অসম সাহিত্য সভাৰ যোৰহাট কাৰ্যালয়ৰ সম্পাদক তথা জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা ড° জ্যোতিৰেখা হাজৰিকাই আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰক এইদৰে কয় –

০০০০০০

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সেনা বাহিনীয়ে লাভ কৰা সফলতাৰ পটভূমিত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰৰ শৃংখলাত আজি আমি লগ পাওঁ আহক **কাছাৰ জিলাৰ লক্ষীপুৰ সমষ্টিৰ শিৰপুৰ গাঁৱৰ অৱসৰপ্ৰাপ্ত কেপ্তেইন খগেন্দ্ৰ সিঙক**। ৩৭ বছৰীয়া সামৰিক জীৱনত কেইবাটাও সফল অভিযানৰ নেতৃত্ব দিয়া সিঙে ২০০৮ চনত জম্মু-কাশ্মীৰৰ পুঞ্চত ৰান আছাম ৰেজিমেণ্টত কৰ্মৰত পাকিস্তান সীমান্তৰ ১০০ মিটাৰ ভিতৰলৈ প্ৰৱেশ কৰি ৫ জন লস্কৰ-ই-তৈবা উগ্ৰপন্থীক নিহত কৰিছিল। এই অবিস্মৰণীয় বীৰত্বৰ বাবে তেওঁ সেনা পদকেৰে সন্মানিত কৰা হৈছিল। অৱসৰপ্ৰাপ্ত কেপ্তেইন সিঙে তেওঁৰ অভিজ্ঞতা আৰু অপাৰেচন সিন্দূৰৰ কাৰ্যকৰিতা সন্দৰ্ভত আমাৰ শিলচৰৰ সংবাদদাতা আঁখিৰাণী দাসৰ আগত এই মত ব্যক্ত কৰে। –

**(বাইট)**

০০০০০০

যোৰহাটত আজি বিজেপিৰ এখন গুৰুত্বপূৰ্ণ বৰ্ধিত বিষয়ববীয়া সভা অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ সভাপতিত্বত হ'বলগীয়া এই সভাত দলৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ ড০ সম্বিত পাত্ৰ, ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিৱেদী, কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি দলৰ অন্যান্য মন্ত্ৰী, বিধায়ক, সাংসদ তথা ৰাজ্যিক সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থকাৰ সম্ভাৱনা আছে। দলৰ সাংগঠনিক দৃষ্টিকোণৰ পৰা এই সভাখন অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে।

০০০০০০

পণ্ডিতপ্ৰৱৰ আনন্দৰাম বৰুৱাৰ ১৭৫ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। সংস্কৃত ভাষাৰ পণ্ডিতগৰাকীৰ সন্মানাৰ্থে আজি কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীৰ আনন্দৰাম বৰুৱা ভাষা-কলা সংস্কৃতি সংস্থাৰ উদ্যোগত আজি এখন স্মৃতিচাৰণ সভাৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ সভাগৃহত আয়োজিত কাৰ্যসূচীত নতুন দিল্লীৰ ভাৰতীয় সমাজ বিজ্ঞান অনুসন্ধান পৰিষদৰ সদস্য সচিব অধ্যাপক ধনঞ্জয় সিঙে পণ্ডিতপ্ৰৱৰ আনন্দৰাম বৰুৱা স্মাৰক বক্তৃতা আগবঢ়াব। এই অনুষ্ঠানত শিক্ষা মন্ত্ৰী তথা আনন্দৰাম বৰুৱা ভাষা-কলা সংস্কৃতি সংস্থাৰ পৰিচালনা সমিতিৰ সভাপতি ডাঃ ৰণোজ পেগু উপস্থিত থাকিব। গুৱাহাটীৰ ৰজাদুৱাৰতো আজি দিনজোৰা কাৰ্যসূচীৰে আনন্দৰাম বৰুৱাৰ জন্মবাৰ্ষিকী পালন কৰা হৈছে।

০০০০০০

ৰাজ্যৰ অধিকাংশ ঠাইতে অহা ৭ দিনলৈ ধুমুহা-গাজনিৰে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ লগতে কোনো কোনো অংশত অহা দুই-তিনিদিনলৈ ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগে

আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে এই সময়ছোৱাত ৩০ৰ পৰা ৪০ কিলোমিটাৰ বেগেৰে ধুমুহা অহাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰই ৰাজ্যৰ পশ্চিম আৰু দক্ষিণ অংশত অতিবৃষ্টি হোৱাৰ সম্ভাৱনাৰ লগতে কিছু অঞ্চলত ২০০ মিলিমিটাৰলৈকে বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। ইপিনে ৰাজ্যৰ দুৰ্যোগ প্ৰশমন বিভাগে গুৱাহাটী আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত মঙলবাৰৰ মাজনিশাৰে পৰা ১০০ৰ পৰা ১১২ দশমিক ৫ মিলিমিটাৰ পৰ্যন্ত বৰষুণ হয় বুলি উল্লেখ কৰিছে। মহানগৰ প্ৰশাসন যিকোনো ধৰণৰ জৰুৰীকালীন সেৱাৰ বাবে সাজু হৈ আছে। জনসাধাৰণক সাৱধানতা অৱলম্বন কৰিবলৈ প্ৰশাসনৰ তৰফৰ পৰা অনুৰোধ জনোৱা হৈছে। দৈনিক যাত্ৰী অথবা দূৰণীবটীয়া যাত্ৰীসকলক প্ৰবল বৰষুণৰ সময়ত অপ্ৰয়োজনীয় যাতায়াত এৰাই চলিবলৈ আহ্বান জনোৱা হৈছে। একেদৰে পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত বসবাস কৰা লোকসকলক ভূমিস্খলনৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি সতৰ্ক হৈ থাকিবলৈ আহ্বান জনোৱা হৈছে।

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

oooooo

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড় পৌৰ নিগম পৰিষদৰ বৈঠকত অংশগ্ৰহণ কৰি চহৰখনৰ উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। তেওঁ চহৰখনৰ কৃত্ৰিম বান সমস্যাৰ সমাধান, নলা-নৰ্দমাৰ সু-ব্যৱস্থাপনা, বাট পথৰ উন্নীতকৰণ, চহৰৰ সৌন্দৰ্য বৰ্ধনকে ধৰি বিভিন্ন বিষয় লৈ আলোচনা কৰে। শ্ৰীসোণোৱালে লগতে সমস্যাসমূহৰ সমাধানৰ বাবে যাৱতীয় কাম ক্ষিপ্ৰতাৰে সম্পন্ন কৰিবলৈ বিষয়ববীয়াসকলক আহ্বান জনায়। বৈঠকত মন্ত্ৰী প্ৰশান্ত ফুকন, মেয়ৰ ডাঃ ছৈকত পাত্ৰ, উপ-পৌৰপতি উজ্বল কুমাৰ ফুকনৰ উপৰি পৌৰ নিগমৰ ভালেসংখ্যক জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

oooooo

মণিপুৰৰ উখৰুল জিলাত কালিৰেপৰা ৫ দিনীয়া কাৰ্যসূচীৰে ৰাজ্যিক পৰ্যায়ত পঞ্চম শ্বিৰুয়ি লিলি মহোৎসৱৰ আয়োজন কৰা হৈছে। ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই কালি শ্বিৰুয়ি গাঁৱৰ হেৰিটেজ গ্ৰাউণ্ডত আয়োজিত অনুষ্ঠানত এই মহোৎসৱৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত দিয়া ভাষণত ৰাজ্যপালগৰাকীয়ে এই মহোৎসৱৰ ভৌগোলিক আৰু সাংস্কৃতিক গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। এই মহোৎসৱ মণিপুৰত পোৱা দুষ্প্ৰাপ্য প্ৰজাতিৰ শ্বিৰুয়ি লিলি ফুলৰ সংৰক্ষণ আৰু ইয়াৰ জনপ্ৰিয়কৰণৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ বুলি তেওঁ মন্তব্য কৰে। এইবাৰ এই প্ৰজাতিৰ ফুলবিধৰ আৱিষ্কাৰৰ ৭৫ বছৰ পূৰ্ণ হৈছে  বুলি উল্লেখ কৰি এয়া ৰাজ্যখনৰ ভৌগোলিক আৰু প্ৰাকৃতিক ক্ষেত্ৰৰ বাবে তাৎপৰ্যপূৰ্ণ বুলি তেওঁ মন্তব্য কৰে। ইম্ফল নগৰীৰ পৰা ৮০ কিলোমিটাৰ দূৰৈত উখৰুল জিলাত আয়োজিত এই মহোৎসৱৰ বাবে ৰাজ্যখনত কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ লগতে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মহোৎসৱ উপলক্ষে অঞ্চলটোলৈ বহু লোকৰ সমাগম হৈছে। মহোৎসৱৰ অংশ হিচাপে ক্ৰীড়া, সাহিত্য, দুঃসাহসিক ক্ৰীড়া আৰু অন্যান্য অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

oooooo

অবৈধ বাংলাদেশীৰ বিৰুদ্ধে দেশজুৰি অভিযান, চৰকাৰী বিদ্যালয়ত শিক্ষাৰ্থীৰ সংখ্যা হ্ৰাস, অহা দুই-তিনিদিনলৈ ৰাজ্যৰ বিভিন্ন স্থানত ধাৰাসাৰ বৰষুণৰ সম্ভাৱনা আদি বিভিন্ন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত

বাতৰি কাকতসমূহত প্ৰথম পৃষ্ঠাত স্থান পাইছে। সদ্যসমাপ্ত পঞ্চায়ত নিৰ্বাচনত লাভ কৰা সাফল্যৰ পাছত ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে বিশেষ ৰণকৌশল প্ৰস্তুত কৰাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। এডভাণ্টেজ আছামৰ পাছত অসমত বিনিয়োগৰ বাবে বহু উদ্যোগ আগবাঢ়ি আহিছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্যৰ বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। পৰহি নিশাৰে পৰা অহা ধাৰাসাৰ বৰষুণৰ পাছত গুৱাহাটীৰ বিভিন্ন স্থানত কৃত্ৰিম বানৰ লগতে ভূমিস্খলন হৈ জনজীৱন বিপৰ্যস্ত হোৱাৰ বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ইয়াৰ লগতে অহা দুই-তিনিদিনলৈ ৰাজ্যৰ বিভিন্ন স্থানত ধাৰাসাৰ বৰষুণ অব্যাহত থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিয়াৰ বাতৰিও কাকতসমূহে প্ৰকাশ কৰিছে। দেশৰ বিজ্ঞান চৰ্চাৰ অন্যতম বুনিয়াদ গঢ়োতা, পদ্মভূষণ সন্মানেৰে সন্মানিত বিশিষ্ট জ্যোতিৰ্পদাৰ্থবিদ ড° জয়ন্ত বিষ্ণু নাৰ্লিকাৰৰ দেহাৱসানৰ বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাংলাদেশৰ পৰা ভাৰতলৈ স্থলপথেৰে ৰপ্তানিকৃত সামগ্ৰী প্ৰেৰণত নতুন দিল্লীয়ে নিষেধাজ্ঞা আৰোপ কৰাৰ পাছতে প্ৰতিবেশী ৰাষ্ট্ৰখনত হাহাকাৰ অৱস্থাৰ সৃষ্টি হোৱাৰ বাতৰি **আমাৰ অসম** কাকতে শীৰ্ষ বাতৰি হিচাপে প্ৰকাশ কৰিছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত হাওঁফাওঁ ৰোগৰ চিকিৎসাৰ তিনিটা অত্যাধুনিক যন্ত্ৰ উদ্বোধন কৰাৰ এটা বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰকাশ কৰিছে। আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাক গ্ৰেপ্তাৰ কৰি হেণ্ডকাফ লগাই আদালতত হাজিৰ কৰোৱাক লৈ বিভিন্ন দল-সংগঠনে কৰা প্ৰতিবাদৰ বাতৰি **নিয়মীয়া বাৰ্তা**ৰ লগতে প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। হৰমিত সিঙক ৰাজ্যৰ নতুন আৰক্ষী সঞ্চালকপ্ৰধান হিচাপে নিযুক্তি দিয়াৰ বাতৰিটো **অসমীয়া খবৰ** আৰু **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে চেন্নাই ছুপাৰ কিংছক ৬ উইকেটত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ১৮৮ ৰাণৰ লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ এটা বলতে চাৰিটা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলৰ হৈ বৈভৱ সূৰ্যবংশীয়ে সৰ্বাধিক ৫৭ আৰু সঞ্জু ছেমচনে ৪১ ৰাণ কৰে। চেন্নাইৰ হৈ ৰবিচন্দ্ৰন অশ্বিনে দুটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ৰাজস্থানে টছত জিকি চেন্নাইক বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়। চেন্নাইয়ে নিৰ্ধাৰিত ২০ অভাৰত আঠটা উইকেট হেৰুৱাই ১৮৭ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ আয়ুশ্ব মাহত্ৰেই ৪৩ ৰাণ কৰে। ৰাজস্থান ৰয়েলছৰ য়ুধবীৰ সিং চাৰাক আৰু আকাশ মাধৱালে তিনিটাকৈ উইকেট দখল কৰে। আকাশ মাধৱালক প্লেয়াৰ অব দা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ, দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

সমাপ্ত